# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-04-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ উদ্বোধনী অনুষ্ঠানৰ বাবে প্ৰধানমন্ত্ৰীক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে শ্ৰীমোদীক অসম জৈৱ ইথানল প্ৰকল্প উদ্বোধন আৰু ৫ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ গুৱাহাটী ৰিং ৰোড প্ৰকল্প তথা দৰং চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আধাৰশিলা স্থাপনৰ বাবে প্ৰধানমন্ত্ৰীক অনুৰোধ জনায়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰীয়ে এই আমন্ত্ৰণ গ্ৰহণ কৰি অসমলৈ আহিবলৈ সন্মতি প্ৰকাশ কৰিছে। এই অনুসৰি অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীগৰাকী অসমলৈ অহাৰ কথা। মুখ্যমন্ত্ৰীয়ে আজিৰ এই ভ্ৰমণকালত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকো সাক্ষাৎ কৰে।

০০০০০

ভূটানৰ ৰজা জিগমে খেছাৰ নামগিয়াল ৱাংচুকে আজি অসম ভ্ৰমণ কৰি ভাৰতমালা প্ৰকল্পৰ অধীনত নিৰ্মিয়মান আন্তঃৰাষ্ট্ৰীয় বহুমুখী মাল্টিমডেল লজিষ্টিক পাৰ্ক পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ভূটানৰ ৰজাগৰাকীক আদৰণি জনায়। ভাৰতমালা প্ৰকল্পৰ অধীনত নিৰ্মিয়মান পাৰ্কখনৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। পথ, ৰে'লপথ, বিমান আৰু জলপথৰ সুবিধাৰে ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগমে পাৰ্কখন নিৰ্মাণ কৰি আছে। ব্ৰহ্মপুত্ৰ উপকূলত ৩১৭ একৰ ভূমি সামৰা এই প্ৰকল্পই ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত প্ৰভূত অৰিহণা যোগাব। লগতে ভূটান, বাংলাদেশ প্ৰবৃত্তি চুবুৰীয়া দেশসমূহৰ সৈতেও ৰাজ্যৰ বাণিজ্য সূচল হৈ পৰিব। ভূটানৰ ৰজাগৰাকীয়ে এই প্ৰকল্প পৰিদৰ্শনৰ উপৰি ব্ৰহ্মপুত্ৰত নিৰ্মিয়মান অন্তঃজলপৰিবহণ বিভাগৰ প্ৰকল্পও পৰিদৰ্শন কৰে।

০০০০০

ৰাজ্যত যোৱা ১৪ এপ্ৰিলৰ পৰা পালন কৰা অগ্নি নিৰ্বাপক সেৱা সপ্তাহৰ কাইলৈ সামৰণি পৰিব। এই সময়ছোৱাত ৰাজ্যৰ অগ্নি আৰু আপদকালীন সেৱা সঞ্চালকালয়ে অগ্নিকাণ্ডৰ পৰা হাত সাৰি থাকিবৰ বাবে জনসাধাৰণক সজাগ কৰিবলৈ ভালেমান কাৰ্যসূচী গ্ৰহণ কৰিছে। ইয়াৰ লগতে ৰাইজক জুই লগা ঘটনাৰ পৰা হাত সাৰিবলৈ বিভিন্ন বিভিন্ন পৰামৰ্শ জাৰি কৰিছে। এই অনুসৰি বিদ্যুতৰ বিভিন্ন আহিলাসমূহ নিয়মীয়াকৈ পৰীক্ষা কৰাৰ উপৰি শ্বৰ্ট চাৰ্কিটৰ পৰা হাত সাৰি থাকিবলৈ মিনিয়েচাৰ চাৰ্কিট ব্যৱহাৰৰ পৰামৰ্শ দিছে। তদুপৰি ঘৰৰ পৰা ওলাই যোৱাৰ আগতে সকলো বৈদ্যুতিক সা-সঁজুলি আৰু ৰন্ধন গেছৰ ৰেগুলেটৰ বন্ধ কৰি যাবলৈও কোৱা হৈছে। ৰন্ধন গেছৰ চিলিণ্ডাৰত জুই লাগিলে আতংকিত নহয় ন'বটো বন্ধ কৰিবলৈ আৰু জ্বলি থকা চিলিণ্ডাৰ তিতা কাপোৰেৰে ঢাকিবলৈ পৰামৰ্শ দিয়া হৈছে। বাসগৃহ, বিদ্যালয় আৰু অন্য প্ৰতিষ্ঠানত অগ্নিনিৰ্বাপণৰ আহিলাসমূহ সহজে ঢুকি পোৱা ঠাইত ৰখাৰ লগতে এইসমূহ নিৰাপদ আৰু

ফলপ্ৰসূভাৱে ব্যৱহাৰৰ কৌশল শিকি ল’বলৈ কোৱা হৈছে। একেদৰে ঘৰত বা কৰ্মক্ষেত্ৰত নিয়মিতভাৱে অগ্নিনিৰ্বাপক বাহিনীৰ অনুশীলন কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্ভিদ ৰোগ বিজ্ঞান বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰী প্ৰজ্ঞা পাৰমিতা আচাৰ্যই বিদেশত গৱেষণাৰ বাবে জলপানি লাভ কৰিছে। বিশ্বৰ বিভিন্ন দেশৰ ছাত্ৰ-ছাত্ৰীৰ মাজত হোৱা প্ৰতিযোগিতামূলক পৰীক্ষাত তেওঁ মিডলেণ্ডছ্ ইণ্টিগ্ৰেটিভ বায়’ ছায়েন্স ট্ৰেইনিং পাৰ্টনাৰশ্বিপৰ জলপানি লাভ কৰিছে। ছাত্ৰীগৰাকী ইংলেণ্ডৰ ৱাৰ উইক বিশ্ববিদ্যালয়ত ডক্টৰেট ডিগ্ৰীৰ বাবে গৱেষণাৰ সুযোগ লাভ কৰিছে।

০০০০০

পবিত্ৰ হজযাত্ৰাৰ বাবে শিৱসাগৰৰ পৰা যাবলগীয়া হজযাত্ৰীসকলক আজি শিৱসাগৰৰ কোঁৱৰপুৰ জুম্মা মছজিদত সম্বৰ্ধনা জনোৱা হয়। উজনি অসম থলুৱা মুছলিম পৰিষদৰ উদ্যোগত অনুষ্ঠিত কাৰ্যসূচীত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ সৰ্বমুঠ ৮৩গৰাকী হজযাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ শেষত বিশ্বশান্তিৰ কামনাৰে আল্লাহৰ ওচৰত সমূহীয়া দোৱা কৰা হয়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমতক লৈ আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ –এই দুটা নম্বৰত ফোন কৰি আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক আদি অনুষ্ঠান সম্পৰ্কত অভিমত আৰু পৰামৰ্শ আগবঢ়াব পাৰিব। ইয়াৰ লগতে শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছএপ যোগে পঠিওৱা বাৰ্তাও অনুষ্ঠানটোত অন্তৰ্ভুক্ত কৰা হ’ব।

বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমীয়া বিয়াৰ পৰিৱৰ্তন আৰু কিছু চিন্তা-দুঃচিন্তা বিষয়ক এটি বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই দুয়োটা অনুষ্ঠানৰে পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

সমাপ্ত